# মিচিং বাঃনৌ কৌবাঙৰ জাতীয় কৰ্মসূচী আৰু নিৰ্দ্দেশনা
## গোগামুখ ঘোষণা

**বিজয়পুৰ জ'নেকৰঙত অনুষ্ঠিত ৩৬তম মিচিং বাঃনৌ কৌবাঙৰ সাধাৰণ অধিৱেশনত গৃহীত আলি আঃয়ে-লৃগাঙৰ নিয়মাৱলী:**

<u>আলি-আঃয়ে-লৃগাঙৰ আখ্যান (Mythology) আৰু তাৎপৰ্য</u>

লোক কথা মতে দঃযৃং নাঃনৌৰ নিৰ্দেশ মৰ্মে আদিম পুৰুষ আবুতানিক চিৎকিন কেঃদেং বা কঃজে য়াংগ বা কঃজে জাংগৰ পৰা কেনেকৈ আম্‌লি (কঠীয়া) আনি এই পৃথিৱীত স্থাপন কৰিলে সেই কিংবদন্তীৰ লোক বিশ্বাসেই আজিৰ আলি-আঃয়ে-লৃগাং উৎসৱ।

যেতিয়া পৃথিৱীত খোৱা-বোৱা আৰু থকা মেলাৰ অসুবিধা হোৱাত আবতানিয়ে পুনৰ ঔঙ তাকাৰ (প্ৰাচীন সুসভ্য এটা মানৱ জাতি) ৰাজ্যলৈ ঘুৰি যোৱাৰ মত প্ৰকাশ কৰিলে, তেতিয়া দঃযৃং নাঃনৌই দঃয়িং লঃলং বা দঃয়িং দৌনদৌৰ পৰা নামি আহি আবতানিক লগ পাই কিছু দিহা পৰামৰ্শ আগবঢ়ালে।

পৰামৰ্শত দঃযৃং নাঃনৌই আবুতানিক কলে যে, পৃথিৱীৰ পঞ্চম স্তৰৰ সিপাৰে কঃজুম - কঃজে দেশত বহুত খাদ্য দ্ৰব্যৰ সঁচ আছে। গতিকে, এই শ্লোক (লুবে)টো গাই তাৰ পৰা কঠীয়া সংগ্ৰহ কৰিব পাৰিব।

<u>**শ্লোক বা লুবে ঃ**</u>

"আক'চিন্নাংকা -
নাম্প-নাম্‌তিন্ পঃৰ আপংলক
এগ আদৃন, পৰগ আদৃন অদক্কৗ গুনি আম্‌বৃনলগ মনাম
আপিনৌম বিয়ৌকুকৌ
নঃ ঔদৌম তৰৃগ্ চুলাংকা।"

সেইমতে তানিয়ে কঃজুম-কঃজে দেশৰ পৰা ধান, গুম্‌ধান, কচু, চৃংকৃগ, আলি, পাক্‌লি, ঙিনটি, আঞাক, কামৰালি আদি বীজ আনি পৃথিৱীত সিঁচিলে বা ৰূপন কৰিলে আৰু কঃজুম কঃজেৰ বিধানমতে পাঁচ দিনলৈ গেনা ৰাখিলে। সেই মতে আবতানিয়ে ৫ দিন গেনা দি থাকিল। ৫ দিনৰ মুৰত পথাৰলৈ গৈ দেখে যে,বন কুকুৰা আৰু কপৌ চৰাইবোৰে সিঁচা শস্যৰ গুটিবোৰ খাই শেষ কৰি থৈছে। তাকে দেখি আবুতানিয়ে শোকত কান্দি থকা অৱস্থাত ধনু কাড়েৰে সু-সজ্জিত চেউকাৰী নামৰ এজন পুৰুষে হাবিৰ পৰা ওলাই আহি কন্দাৰ কাৰণ সুধিলত আবুতানিয়ে বন কুকুৰা আৰু কপৌ চৰাইবোৰলৈ আঙুলিয়াই দেখুৱাই সকলো কথা বিৱৰি কলে। তাকে শুনি পুৰুষজনে কাড় মাৰি বন কুকুৰা আৰু কপৌ চৰাইবোৰ মাৰি পেলালে। তানিয়ে বন কুকুৰা আৰু কপৌ চৰাইবোৰৰ বুকু ফালি কঠীয়াবোৰ উলিয়াই পুনৰ সিঁচি দিয়াত খেতি পুনৰ উৎপাদন হ'ল। প্ৰথমে গুটি সিঁচা দিনটোক "লিঃলুপ" বা "লিগাং" আৰু পেট ফালি পুনৰ সিঁচা কাৰ্যক লৃগ্‌লেন বা "লিঃলেন্" বুলি কোৱা হয়।

পূৰ্ব্বৰ অভিজ্ঞতাৰ পৰা আবুতানিয়ে বুজি পালে যে, সেই কুপ-দৃষ্টিকাৰী আৰু শস্য নষ্টকাৰীজন তাৰ'ৰ বাহিৰে আন কোনো নহয়। লোক বিশ্বাস মতে তাৰ'ৰ বাসস্থান হ'ল - য'ত পিঃৰ, কাম্ৰ, তালুং থাকে। সেয়েহে তানিয়ে এই তাৰ'ক প্ৰতিৰোধ কৰিবৰ কাৰণে চাৰি দিশত চাৰিডাল পিঃৰ বনেৰে পদুম-দুমনাম পদ্ধতিৰে শস্যখিনি ঘেৰিলে, যাতে তাৰ'ৰ কোনো কুপ দৃষ্টি পৰিব নোৱাৰে। তাৰোপৰি কপৌ চৰাইৰূপী অপদেৱতাই কু-মনোভাৱ লৈ তাত প্ৰৱেশ কৰিব নোৱাৰে।

**<u>চাৰি ডাল পিঃৰৰ তাৎপৰ্য ঃ</u>**

পৃথিৱীৰ দিশ চাৰিটা, গতিকে পৃথিৱীৰ চাৰি দিশৰ পৰা যাতে কোনো কুপ দৃষ্টি পৰিব নোৱাৰাকৈ ঘেৰা দিয়া। চাৰি ডাল পিঃৰৰ মাংগলিক নাম হ'ল -

১। মুক্লৃং ( বজ্ৰপাত)
২। য়াৰি (বিজুলী ঢেৰেকনি)
৩। কাৰ্চিন
৪। কাৰ্ত্তাং

এই লোক প্ৰবাদৰ পৰা ক'ব পাৰি যে, আলি-আঃয়ে-লৃগাঙৰ লৃগ্গদৰ মাংগলিক ক্ৰিয়াত চাৰিডাল পিঃৰ ( মেগেলা) বন ব্যৱহাৰৰ নিয়ম আৰম্ভ হৈছে।

## <u>আনুষ্ঠানিকভাৱে পতা আলি আঃয়ে লৃগাং</u>

আনুষ্ঠানিকভাৱে পতা আলি-আঃয়ে-লৃগাং (Ali-A:ye-Lígang) উৎসৱত মাংগলিক কাৰ্য সম্পাদন কৰোতে পালন কৰিব লগা নীতি-নিৰ্দ্দেশনা -

**<u>লৃগ্গদ্/আম্চিদ্ চিদ্নাম্ (Líggod/Amsid Sidnam)</u>**

১। লৃগ্গদ্ মাংগলিক কাৰ্য সম্পাদন কৰিবৰ বাবে পৰিষ্কাৰ স্থানত মাটি চাহ কৰি এটা বেদী তৈয়াৰ কৰিব লাগে।
২। লৃগ্গদ্ কাৰ্য সম্পাদন কৰাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীবোৰ হ'ল -

(ক) লৃগ্গদৰ বাবে কঠীয়া (Amli) ঃ- লৃগ্গদ্ কৰোতে কেবাটাও শস্যৰ বীজ ৰূপন কৰা হয়। সিবিলাকৰ উল্লেখযোগ্যবোৰ হ'ল -

(১) শিপা বা আলু জাতীয় -1. Síngkíg Ali - (শিমলু আলু)
2. Nginti Ali- (মিঠা আলু)
3. Ma:yong Ali- (কাঠ আলু)
4. Enge Ali- (কচু আলু)
5. Pagli Ali- (মিঠা আলু)
6. Kamrali- (পাত আলু)

(২) গুটি জাতীয় বীজ - 1. Tépang- ( গোম্ধান )
2. A:m (guni/amro)- (আওধানৰ কঠীয়া)

3. Anyag- (কণী ধান)

4.si:pag- (কপাহ)

(মন কৰিবলগা যে ওপৰত  উল্লেখ কৰা সকলোবিধ শস্যৰ বীজ লগাব নোৱাৰিলেও অন্তঃত পাঁচবিধ শস্যৰ বীজ ৰূপন কৰিব লাগে।)

৩। কপাহ (Sí:pag) ৪ (চাৰি) কোচা

৪। মেগেলা বন (Pi:ro amíng) ৪ (চাৰি)টা

৫। কেঁচা সুতা (Onno) - (১ নেচামান)

লৃগ্‌গদ্ কাৰ্য সম্পাদন কৰিবৰ বাবে যুগুত কৰা সকলোবোৰ সামগ্ৰী তিৰোতাগৰাকীয়ে হোৰা (ígín)ত ভৰাই লৈ কান্ধত বা মূৰত ওলমাই আনিব লাগিব। পুৰুষগৰাকী (Sidbo Abu) এ দা (মিট দা) আৰু দাঃনৃগ্ (Da:níg) আনিব। লগতে লৃগ্‌গদ্ স্থানত উপস্থিত হোৱাৰ লগে লগে Sidbo Abu আৰু Sidné Ané এ পূবফালে মুখ কৰি থিয় হৈ কাৰ্য সম্পাদন কৰিব। Sidbo Abuৰ লগত অনা মিট দা/দাঃনৃগ লৈ বেদীৰ মাটিত সৰু সৰু গাত লগাব আৰু Sidné Anéএ হোৰা (ígín)ৰ পৰা শস্যৰ বীজবোৰ উলিয়াই গাতবোৰত ৰূপন কৰি যাব। এইদৰে শস্যৰ বীজ ৰূপন কৰি থাকোতে আশীষ বচন (Lube: Lunam) মাতিব -

Do:nyé tadlangka
Po:lo tadlangka
Se:di Me:lo
Siné Mo:bo
Appíngé tadlangla
Sé ngolu Ali-A:ye-líga:du:néké
Koje yanggo go:sa:moteika
Aríg ísíngém ai moteika
Írroi írroi írroi

এইদৰে আশীষ বচন মাতি শেষ হোৱাৰ পাছত ৰূপন কৰা বীজবোৰৰ ওপৰত মাটিৰ গুৰি চপাই দি বীজবোৰ ঢাকি (Ri:tid) দিব।

লৃগ্‌গদ্ শেষ হোৱাৰ পাছত বেদীটোৰ চাৰি চুকত একোটাকৈ পিংৰ (মেগেলা বন) গুজি দিয়া হয়। তাৰ পাছত পিংৰ বনৰ ফাঁকত কপাহ গুজি দিয়া হয়। আৰু পিংৰ বনৰ পাতবোৰ একেলগে বান্ধি দিয়া হয় লগতে কেঁচা সুতাৰে প্ৰতিডাল পিংৰৰ লগত সংযোগ কৰা হয়। তেনেদৰে কেঁচা সুতাৰে তিনিপাক বান্ধিব। এইদৰে লৃগ্‌গদ্ কাৰ্য সম্পাদন কৰা হয়।

খ) তাকু কুবাদ (Taku Kubad)

লৃগ্‌গদ্ কাৰ্য সম্পন্ন কৰাৰ ঠিক পিছতেই তাকু কুবাদ মাংগলিক কাৰ্য সম্পাদন কৰা হয়। তাকু কুবাদৰ বাবে প্ৰয়োজনীয় সা-সামগ্ৰীবোৰ হ'ল -

(ক) Taku (বাঁহেৰে বিশেষভাৱে নিৰ্মিত দুটা বস্তু বিশেষ)

(খ) Nogné Take -(আদা)

(গ) Kamro ékkam(কৌপাত)

(ঘ) Sí:pag - (কপাহ)

(ঙ) Po:ro apong (étung akolo) - (ছাইমদ এচুঙা)

(চ) Asi (étung akolo) - (পানী এচুঙা)

বিশেষ স্থানত তাকুটো সংস্থাপন কৰি ৰখা হয়। তাকুটো কুবাদ কৰিবৰ বাবে সৰু মাৰি এটা সাজু কৰি ৰখা হয়। তাকু কুবাদ কৰা ব্যক্তিগৰাকীয়ে প্ৰথমে চুঙা (étung)ত অনা পানীখিনিৰে তাকুটোৰ ওপৰত ছটিয়াই পৱিত্ৰ কৰি ল'ব। দ্বিতীয়তে চুঙা (étung)ত অনা আপংখিনিও টাকুটোত ছটিয়াই দি পৱিত্ৰ কৰি ল'ব। সেইখিনি কৰাৰ পাছত তাকুটো মাৰিটোৰে খুলি দিব যাতে তাকুটোৰ মুৰত গুজি ৰখা আদা টুকুৰাবোৰ জোৰেৰে ওফৰি যায়।

তাকু কুবাদ কাম সম্পাদন কৰোতা গৰাকীয়ে এইদৰে আশীষ বচন মাতে -

Uté poro kojé yanggo go:molangka
Néyi nénganém ngansa moteika
Sido - akosinnagka!
Sitkin kede: no,
Ki:né na:néno
Pi:ro jarpé jarsa:molangka
Ta:par go:pé go:sa:molangka
Írroi írroi írroi

তাকু কুবাদ কাৰ্য সম্পন্ন হোৱাৰ পিছত "লৃগ্গদ্ আৰু তাকু কুবাদ" কৰাৰ স্থানটোৰ চাৰিওফালে ঘড়ীৰ কাটাৰ গতিৰ বিপৰীত (Anti-clockwise) গতিৰে পাঁচবাৰ ঘুৰি গুম্‌ৰাগ নৃত্য কৰিব। তেনেকৈ নৃত্য কৰাৰ পাছত "লৃগ্গদ্ - কুবাদ" মাংগলিক অনুষ্ঠান অন্ত পৰে।

লৃগ্গদ্ আৰু তাকু কুবাদ মাংগলিক কাৰ্য সম্পাদন কৰোতাসকলে পৰিধান কৰিব লগা সাজ-পাৰ -

১। পুৰুষ - Gonro Ugon(পৰম্পৰাগত ধুতি)
Mibu Galung (বগা ৰঙৰ)
Dumér (Tongani dumér)
লগত Matsík/Yoksík ল'ব লাগে।

২। মহিলা - Yakané ege(ক'লা ৰঙৰ মেখেলা)
Gero (ৰঙা ৰঙৰ)
Galug (ৰঙা ৰঙৰ)
E:po লগত ígín ল'ব লাগে।

(বিঃদ্রঃ- উল্লেখিত মাংগলিক কাৰ্যখিনি সম্পাদন কৰোতাজনে ঘড়ী, চেঙেল, জোতা আদি পিন্ধিব নালাগে।)

## Yodnam (গেনা)

পাঁচদিনৰ বাবে গেনা পালন কৰিব লাগে। খোৱা-বোৱাৰ ক্ষেত্ৰত কেঁচা মাছ-মাংস খাব নালাগে। শুকান মাছ-মাংস খাব পাৰিব।

**মিচিং বাঃনী কৌবাঙৰ নিৰ্দ্দেশনা ঃ-**

যোৱা ১, ২, ৩ আৰু ৪ ফেব্ৰুৱাৰী, ২০১৮ তাৰিখে বিজয়পুৰ জংনৌকৰং (জোনাই)ত অনুস্থিত মিচিং বাঃনী কৌবাঙৰ ৩৬তম্ সাধাৰণ অধিবেশনৰ প্ৰতিনিধি সভাৰ সিদ্ধান্ত অনুসৰি ওপৰ উল্লেখিত নিৰ্দ্দেশনা প্ৰস্তুত কৰা হৈছে। এই নিয়মাৱলী আলি-আঃয়ে-লিগ্যাং উদ্‌যাপন কৰা সকলো ঠাইত প্ৰয়োগ কৰিব লাগিব। লৃগাঙৰ আখ্যান (Mythology) লৃগগ্দৰ পূৰ্বে ৰাজহুৱাকৈ পাঠ কৰিব লাগিব।

শ্ৰদ্ধেয় প্ৰতিনিধি বৰ্গ,

মিচিং বাঃনী কৌ বাঙৰ উদ্যোগত শিৱসাগৰ জিলা পৰিষদ প্ৰেক্ষাগৃহত যোৱা ইং ২৫, ২৬ আৰু ২৭ মাৰ্চ, ২০২২ তাৰিখে আঃবাঙৰ সম্প্ৰসাৰণ আৰু প্ৰচাৰ-প্ৰসাৰ কৰাৰ কাৰণে আগম মিগাং নাহেন্দ্ৰ পাদুন দেৰৰ তত্বাৱধানত তিনিদিনীয়াকৈ আবাসিক কৰ্মশালা অনুষ্ঠিত কৰা হয়। আঃবাং সম্পৰ্কে বহুল চৰ্চা কৰিবলৈ পৰৱৰ্ত্তী পৰ্যায়ত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। তদুপৰি চিমাং যুনাম আৰু য়েলাম সম্পৰ্কে আলোচনা চক্ৰ অনুষ্ঠিত কৰিব নোৱাৰাৰ ফলত কোনো সিদ্ধান্ত ল'ব পৰা নগ'ল। সেয়েহে উক্ত দুটা বিষয়ত আলোচনা কৰি প্ৰস্তাৱ গ্ৰহণ কৰা হওক।

ধন্যবাদ ।।

Mising Réngam Írroi !
Mising Réngma Írroi !

শ্ৰী পৰমানন্দ চায়েঙ্গীয়া
সভাপতি
মিচিং বাঃনী কৌবাং

**আলি-আঃয়ে লৃগাঙৰ আখ্যান** (mythology) **সংগ্ৰাহক সমল ব্যক্তি সকল—**

ডাঃ বিদ্দ্যেশ্বৰ দলে
একলব্য গাম
মজিত পাৰ
ৰাজু মেদক

**ক্ষেত্ৰ অধ্যয়নৰ সমল ব্যক্তি সকল -**

একলব্য গাম
প্ৰভাত মিলি
কলিনাথ পাংগিং
ড.পৱিত্ৰ কুমাৰ পেগু
প্ৰবিন দলে
ৰাজু মেদক